# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামক আদৰণি জনায়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু প্ৰতিৰক্ষা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী জেনেৰেল অনিল চৌহানে আজি জয়পুৰত যুটীয়া কামাণ্ডাৰ সন্মিলনৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিব।

৩। বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিব।

৪। পশ্চিমবংগৰ উত্তৰ ২৪ পৰগানা জিলাৰ মধ্যম গ্ৰামত অচিনাক্ত দুৰ্বৃত্তৰ গুলীত বিজেপি নেতা শুভেন্দু অধিকাৰীৰ নিকট সহযোগী চন্দ্ৰনাথ ৰথ নিহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে পঞ্জাব কিংছক ৩৩ ৰানত পৰাজিত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামক আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে নৈশভোজৰ আয়োজন কৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে ভাৰত আৰু ভিয়েটনাম দ্বিপাক্ষিক সম্পৰ্কৰ উন্নীতকৰণৰ দ্বাৰা সৰ্বাত্মক অংশীদাৰিত্ব শক্তিশালী হোৱাৰ লগতে সমগ্ৰ অঞ্চলটোত শান্তি আৰু সমৃদ্ধিৰ পথ প্ৰশস্ত হোৱাত সহায় হ'ব। তেওঁ কয়, যে ভাৰত আৰু ভিয়েটনামে ঐতিহাসিক, সাংস্কৃতিক আৰু সভ্যতা জড়িত গভীৰ সৌহাৰ্দপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আহিছে। সম্প্ৰতি দুয়ো দেশৰ সম্পৰ্ক, বাণিজ্য, প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা, অংশদাৰী উন্নয়ন, স্বাস্থ্য, বিজ্ঞান আৰু প্ৰযুক্তি তথা পৰ্যটনকে ধৰি উচ্চ পৰ্যায়ৰ পাৰস্পৰিক বিনিময়ৰ জৰিয়তে শক্তিশালী হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে কয়। ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণ কালত বিৰল খনিজ পদাৰ্থ ডিজিটেল আৰু বিত্তীয় প্ৰযুক্তি, সংস্কৃতি আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহত চুক্তি স্বাক্ষৰ হোৱাটোক লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে। ভাৰত আৰু ভিয়েটনামে সৰ্বাত্মক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে যুটীয়াভাৱে পদক্ষেপ লোৱা বিষয়টোক লৈও তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত দশকটোত দ্বিপাক্ষিক বাণিজ্যৰ দ্ৰুত অগ্ৰগতি হৈছে আৰু ভাৰতে পাৰস্পৰিক লাভজনক বিষয়সমূহত ভাৰসাম্য ৰক্ষা কৰি বাণিজ্যৰ সম্প্ৰসাৰণ কৰিবলৈ আগ্ৰহী। ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ আধাৰত আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে অংশীদাৰিত্ব শক্তিশালী কৰা পদক্ষেপৰ অধীনত ভিয়েটনামৰ সৈতে সম্পৰ্ক উন্নত কৰা বিষয়টো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। কালি দুয়োগৰাকী

ৰাষ্ট্ৰনেতাই ভাৰত আৰু ভিয়েটনামৰ পাৰস্পৰিক নিকট সহযোগিতাই দুয়ো দেশৰ বাবে সুযোগ সুবিধাৰ সঞ্চাৰ কৰিব পাৰে বুলি সহমতত উপনীত হয়।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু প্ৰতিৰক্ষা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী জেনেৰেল অনিল চৌহানে আজি জয়পুৰত যুটীয়া কামাণ্ডাৰ সন্মিলনৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিব। দুদিনীয়া এই সন্মিলনত ন ন ক্ষেত্ৰত সামৰিক সামৰ্থ বৃদ্ধি বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। অপাৰেছন সিন্দূৰৰ প্ৰথম বাৰ্ষিকীৰ পৰিপ্ৰেক্ষিতত এই অনুষ্ঠানে বিশেষ গুৰুত্ব বহন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই সন্মিলনত চাইবাৰ, মহাকাশ আৰু মানৱ চিন্তাৰে যুদ্ধৰ প্ৰস্তুতি আৰু সামৰ্থ বৃদ্ধিৰ বাবে ভৱিষ্যমুখী ব্যৱস্থা গঢ়ি তুলিবলৈ এখন মঞ্চ প্ৰদানৰ দিহা কৰা হৈছে। এই সন্মিলনত ভৱিষ্যতৰ বাবে উপযোগী বিভিন্ন সঁজুলি আৰু কৌশলসমূহ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব।

০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিব। পাটনাৰ গান্ধী ময়দানত দিনৰ ১২ বাজি ১০ মিনিটত আৰম্ভ হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু এন ডি এৰ কেইবাগৰাকীও নেতা উপস্থিত থাকিব। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, পূৰ্বৰ চৰকাৰখনে গ্ৰহণ কৰা নীতি অনুসৰণ কৰি এই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। বিজেপিৰ কমেও ১৫ গৰাকী আৰু জে ডি ইউৰ ১৪ গৰাকী বিধায়কে আজি মন্ত্ৰী হিচাপে শপত লোৱাৰ সম্ভাৱনা আছে। একেদৰে লোক জনশক্তি পাৰ্টী ৰাম বিলাশৰ পৰা দুগৰাকী বিধায়কে, হিন্দুস্তানী আৱাম মৰ্চা আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাৰ পৰা এগৰাকীকৈ বিধায়ক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰীসভাত বিজেপি আৰু জে ডি ইউৰ পৰিচিত ব্যক্তিসকলে মন্ত্ৰীত্ব লাভ কৰিব যদিও কেইবাগৰাকীও নতুন মন্ত্ৰী অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি পেৰামাৰিব'ত ছুৰীনামৰ বিদেশ মন্ত্ৰী মেলভিন বৌভাৰ সৈতে আলোচনাত মিলিত হয়। নৰম যুটীয়া আয়োগৰ বৈঠকৰ অংশ হিচাপে আয়োজিত আলোচনা কালত ভাৰত আৰু ছুৰীনামৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সামৰি সৰ্বাত্মক পৰ্যালোচনা কৰা হয়। এই আলোচনাত বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা আৰু শক্তি, উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা, সামৰ্থ বৃদ্ধি, স্বাস্থ্য, সংস্কৃতি আৰু দুয়ো দেশৰ জনসাধাৰণৰ মাজত বিনিময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ড° জয়শংকৰে এই আলোচনাৰ ফলত ভাৰত আৰু ছুৰীনামৰ সম্পৰ্ক অধিক শক্তিশালী হ'ব বুলি আশাপ্ৰকাশ কৰিছে। যুটীয়া আয়োগৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈত হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে এই আলোচনাত গোলকীয় বহুপাক্ষিক বিষয়সমূহেও স্থান লাভ কৰে। ভাৰত আৰু ছুৰীনামৰ মাজত গভীৰ আৰু আস্থাপূৰ্ণ সম্পৰ্ক আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশ দুখনৰ জনসাধাৰণৰ মাজত থকা পাৰস্পৰিক বিনিময়ে এই সম্পৰ্ক অধিক শক্তিশালী কৰিছে। এই সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে অনাগত দিনত ভালেমান পদক্ষেপ লোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

পশ্চিমবংগৰ উত্তৰ ২৪ পৰগানা জিলাৰ মধ্যম গ্ৰামত অচিনাক্ত দুৰ্বৃত্তৰ গুলীত বিজেপি নেতা শুভেন্দু অধিকাৰীৰ এগৰাকী নিকট সহযোগী চন্দ্ৰনাথ ৰথ নিহত হয়। জানিব পৰা মতে, যোৱানিশা মটৰ চাইকেলত

অহা দুৰ্বৃত্তই ৰথৰ বাহনখনলৈ লক্ষ্য কৰি গুলীচালনা কৰে। আহত চন্দ্ৰনাথ ৰথক ততালিকে চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে তেওঁ মৃত ঘোষণা কৰে। এই আক্ৰমণত ৰথৰ গাড়ীচালক বুদ্ধদেৱ বেড়াও গুৰুতৰভাৱে আহত হৈছে আৰু তেওঁক কলকাতাৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। চিকিৎসালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, চন্দ্ৰনাথ ৰথৰ বুকুত দুটা আৰু পেটত এটা গুলীয়ে আঘাট কৰাৰ ফলত তেওঁৰ মৃত্যু হয়। উল্লেখযোগ্য যে, পূব মিদনাপুৰৰ বাসিন্দা চন্দ্ৰনাথ দীৰ্ঘদিন ধৰি মধ্যম গ্ৰামত আছিল আৰু ভৱানীপুৰত শুভেন্দু অধিকাৰীৰ সৈতে একেলগে বিজেপিৰ হৈ কাৰ্যনিৰ্বাহ কৰিছিল। গাড়ীচালক বুদ্ধদেৱো  বিজেপিৰ সদস্য বুলি প্ৰকাশ কৰা হৈছে। সুভেন্দু অধিকাৰীৰ লগতে বিজেপিৰ কেইবাগৰাকীও বিধায়ক আৰু নেতাই লগে লগে চিকিৎসালয়ত উপস্থিত হৈ ঘটনাৰ বুজ লয়। ইপিনে, বিজেপিৰ লগতে ঘটনাস্থলীত উপস্থিত থকা জনসাধাৰণে এই ঘটনা সংক্ৰান্তত মমতা বেনাৰ্জী আৰু অভিযেক বেনাৰ্জীৰ লগতে তৃণমূল কংগ্ৰেছ দলৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে।

ooooo

পশ্চিমবংগত অহা ৯ মে'ত ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত হ'বলগীয়া এটা অনুষ্ঠানত নৱ গঠিত বিজেপি চৰকাৰে শপতগ্ৰহণ কৰিব। ৰাজ্যিক বিজেপিৰ সভাপতি সমিত ভট্টাচাৰ্য্যই সাংবাদিকৰ আগত কয় যে দিনৰ ১০ বজাত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। দলটোৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপি শাসিত কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থকাৰ সম্ভাৱনা আছে। এই অনুষ্ঠানৰ বাবে ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মণ্ডাভিয়াই আজি নতুন দিল্লীৰ কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত  ৪০ বছৰ আৰু উৰ্ধৰ কৰ্মচাৰীৰ বাবে দেশজোৰা বাৰ্ষিক স্বাস্থ্য পৰীক্ষা অভিযান মুকলি কৰিব। এই অভিযানৰ অধীনত ৰাসায়নিক পদাৰ্থ, বিষাক্ত পদাৰ্থ, বা গধুৰ যন্ত্ৰপাতি পৰিচালনা কৰা শ্ৰমিককে ধৰি বিপজ্জনক কাৰ্যত জড়িত কৰ্মচাৰীসকলৰ বয়স নিৰ্বিশেষে চিকিৎসা পৰীক্ষা বাধ্যতামূলক কৰা হ'ব। এই অভিযানে ভাৰতৰ কৰ্মশক্তিৰ বাবে ব্যাপক স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰা, বৃত্তিগত স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰা আৰু বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগীক আগুৱাই নিয়াৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হ'ব।

ooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে হাৰিয়ানাৰ চণ্ডী মন্দিৰৰ কমাণ্ড চিকিৎসালয়ত মগজুৰ কোষ ধ্বংস হৈ মৃত্যু হোৱা এগৰাকী মহিলাৰ পৰিয়ালে অংগদান কৰি চাৰিজন লোকৰ জীৱন ৰক্ষা কৰি উল্লেখযোগ্য অৱদানৰ বিষয়ে আলোকপাত কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, সেনা বাহিনীত কৰ্মৰত বিষয়া এগৰাকীৰ ৪১ বছৰীয়া পত্নীৰ যোৱা ২ মে'ত মগজুৰ তীব্ৰ ৰক্তক্ষৰণৰ ফলত মৃত্যু হৈছিল। ইয়াৰ পাছতে তেওঁৰ স্বামী আৰু দুগৰাকী কন্যাই মৃত মহিলাগৰাকীৰ হৃদযন্ত্ৰ, বৃক্ক, যকৃৎ আৰু অগ্নাশয়কে ধৰি বিভিন্ন অংগদান কৰিবলৈ সন্মতি প্ৰদান কৰে। অংগদানৰ জৰিয়তে এজন ১৪ বছৰীয়া ল'ৰাকে ধৰি চাৰিজন সংকটজনক অৱস্থাত থকা ৰোগীৰ জীৱন ৰক্ষা কৰাটো সম্ভৱপৰ হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে পঞ্জাব কিংছক ৩৩ ৰানত পৰাজিত কৰে। হায়দৰাবাদে নিৰ্ধাৰণ কৰি দিয়া ২৩৬ ৰানৰ লক্ষ্য অনুসৰণ কৰি পঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২০২ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ কুপাৰ কেনলিয়ে ৫৯টা বলত ১০৭ ৰান কৰি অপৰাজিত হৈ থাকে। ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ পেট কামিন্স আৰু শিবাংগ কুমাৰে দুটাকৈ উইকেট দখল কৰে। পেট কামিন্সক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**